NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিধি বলৱৎকাৰী সঞ্চালকালয় আৰু চিবিআইৰ দৰে কেন্দ্ৰীয় সংস্থাসমূহক স্বতন্ত্ৰভাৱে কাম কৰিব দিব লাগে।

২। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ অন্তত বাকীকেইটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। দেশৰ বিভিন্ন প্ৰান্তত আজি মহাবীৰ জয়ন্তী পালন কৰা হৈছে।

৪। ভাৰতৰ ৰিনেশ ফোগাট, অংশু মালিক আৰু ৰীতিকা হুডাই পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ***আৰু***

৫। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দেলহি কেপিটেলছক ৬৭ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিধি বলৱৎকাৰী সঞ্চালকালয় আৰু চিবিআইৰ দৰে কেন্দ্ৰীয় সংস্থাসমূহক স্বতন্ত্ৰভাৱে কাম কৰিবলৈ দিব লাগে আৰু চৰকাৰ তথা ৰাজনীতিকসকলে এনে সংস্থাসমূহৰ কাম-কাজত হস্তক্ষেপ কৰিব নালাগে। এটা ব্যক্তিগত টিভি চেনেলৰ সৈতে হোৱা সাক্ষাৎকাৰৰ সময়ত কেন্দ্ৰীয় সংস্থাসমূহৰ অপপ্ৰয়োগৰ অভিযোগ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে, সংস্থাসমূহে নিজৰ কাম কৰি আছে আৰু এগৰাকী প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰো বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ কাম-কাজত হস্তক্ষেপ কৰাৰ অধিকাৰ নাই। তেওঁ কয় যে, ২০১৪ চনৰ পূৰ্বে বিধি বলৱৎকাৰী সঞ্চালকালয়ে মাত্ৰ ৮৪ টা তালাচী চলাইছিল তথা ২০১৪ চনৰ পাছত মুঠ ৭ হাজাৰটা তালাচী চলাইছে আৰু ইয়াৰ পৰা সংস্থাটো দক্ষতা প্ৰতিফলিত হৈছে। অন্য এটা প্ৰশ্নৰ উত্তৰত প্ৰধানন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰতিগৰাকী নাগৰিক বিশেষকৈ দুখীয়া জনসাধাৰণক সবল কৰি তোলাই তেওঁৰ চৰকাৰৰ আৰ্হি। তেওঁ কয় যে, দেশৰ নাগৰিকসকলৰ বোজা লাঘব কৰাটো চৰকাৰৰ দায়িত্ব । আন এটা প্ৰশ্নৰ উত্তৰত শ্ৰীমোদীয়ে কয় যে, এইবাৰৰ লোকসভা নিৰ্বাচনত বিজেপি অথবা তেওঁ অৱতীৰ্ণ হোৱা নাই বৰং এয়া জনসাধাৰণৰ উদ্যমৰূপে পৰিগণিত হৈছে। তেওঁ কয় যে, দেশে ৩ দশক পৰ্যন্ত অস্থিৰ চৰকাৰ প্ৰত্যক্ষ কৰিছিল যাৰবাবে দেশৰ বিকাশ প্ৰভাৱিত হৈছিল। তেওঁ লগতে কয় যে, দেশৰ ভোটাদাতাসকলৰ এখন সুস্থিৰ চৰকাৰে কি কৰিব পাৰে, তাৰ অভিজ্ঞতা আছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, ত্ৰিপুৰা, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ২৪ এপ্ৰিল পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে অৰুণাচল প্ৰদেশৰ কোনো কোনো অংশত বিজুলী ঢেৰেকনিৰে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে পশ্চিম বংগৰ গংগা নৈৰ কাষৰীয়া ভালেমান অংশত আজি আৰু ঝাৰখণ্ড তথা বিহাৰৰ ঠাইবিশেষে ২৪ এপ্ৰিললৈকে গ্ৰীষ্মপ্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি প্ৰকাশ কৰিছে।

ooooo

লোকসভা নিৰ্বাচন প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত বাকীকেইটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মহা মিত্ৰজোঁট আৰু এনডিএকে ধৰি সকলো ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতা আৰু তাৰকা প্ৰচাৰসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে দেশৰ বিভিন্ন ঠাইত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। দ্বিতীয় পৰ্যায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ চাৰিদিন বাকী থকা অৱস্থাত ৰাজনৈতিক নেতাসকলে ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ খন আসনৰ আটাইকেইখন, কৰ্ণাটকৰ ১৪, ৰাজস্থানত ১৩, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮ খনকৈ, মধ্যপ্ৰদেশৰ ৭ খন, অসম আৰু বিহাৰৰ ৫ খনকৈ, পশ্চিম বংগ আৰু ছত্তিশগড়ৰ তিনিখনকৈ আৰু ত্ৰিপুৰা তথা জম্মু-কাশ্মীৰৰ এখনকৈ আসনৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কালি মহাৰাষ্ট্ৰৰ নান্দেড় আৰু পৰভণি তথা কৰ্ণাটকৰ বেংগালুৰু আৰু ছিগবল্লাপুৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

আনহাতে, ইউ ডি এফৰ প্ৰচাৰ অভিযানৰ অংশ হিচাপে অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীয়ে চালকুদি লোকসভা সমষ্টিৰ ইউ ডি এফ প্ৰাৰ্থী বেন্নি বেহননৰ হকে প্ৰচাৰ চলায়। আনহাতে মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টীৰ প'লিট ব্যুৰ'ৰ সদস্য বৃন্দা কাৰাটে আজি ত্ৰিশূৰৰ কেইৰাখনো নিৰ্বাচনী সভাত ভাগ লয়। ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ডি ৰাজায়ো ৱায়নাড সংসদীয় সমষ্টিৰ এল ডি এফ প্ৰাৰ্থী অনি ৰাজাৰ হকে মনন্তআৱড়িত এখন জনসভাক সম্বোধন কৰে।

উত্তৰ প্ৰদেশৰ মথুৰাত কালি এখন জনসভাক সম্বোধন কৰি বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কয় যে, এইবেলি উত্তৰ প্ৰদেশৰ জনসাধাৰণে ৰাজ্যখনৰ ৮০ খন আসনৰ আটাইকেইখনতে বিজেপিক জয়ী কৰাব।

ইপিনে, আলমোড়াৰ এখন জনসভাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে কয় যে, আই এন ডি আই মিত্ৰজোঁটৰ চৰকাৰ গঠন হ'লে খেতিয়কসকলৰ ঋণ মাফ কৰা হ'ব।

ooooo

আজি মহাবীৰ জয়ন্তী। জৈন ধৰ্মৰ ২৪ সংখ্যক তীৰ্থাংকৰ ভগৱান মহাবীৰ জৈনৰ জয়ন্তী হিচাপে এই উৎসৱ পালন কৰা হয়। ভগৱান মহাবীৰে অহিংসা, সত্য, ব্ৰহ্মচৰ্য্য, অস্তেয়, সংযমৰ লেখীয়া জৈন আদৰ্শৰাজিৰ মাধ্যমেৰে শান্তিপূৰ্ণ সহাৱস্থান আৰু বিশ্ব ভাতৃত্ববোধৰ  পথ দেখুৱাই থৈ গৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহাবীৰ জয়ন্তী উপলক্ষে দেশৰ  জনসাধাৰণ বিশেষকৈ জৈন ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কৈছে যে, অহিংসা আৰু কৰুণাৰ প্ৰতীক স্বৰূপ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি পালন কৰা এই উৎসৱে আমাক মৰম-ভালপোৱা আৰু শান্তিৰ বাৰ্তা দিয়ে। তেওঁ কয় যে, ভগৱান মহাবীৰে এখন আদৰ্শ আৰু সভ্য সমাজ গঢ়াৰ বাবে অহিংসা, ব্ৰহ্মচৰ্য্য, সত্য আৰু ত্যাগৰ পথ দেখুৱাই থৈ গৈছে আৰু তেওঁৰ শিকনিসমূহ মানৱ জাতিৰ কল্যাণৰ বাবে সদায় প্ৰাসংগিক হৈ থাকিব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মহাবীৰ জয়ন্তী উপলক্ষে সকলোকে মৰম-ভালপোৱা আৰু সম্প্ৰীতি বিয়পোৱাৰ বাবে অংগীকাৰবদ্ধ হ'বলৈ আৰু ৰাষ্ট্ৰৰ বিকাশৰ হকে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাবীৰ জয়ন্তীৰ পবিত্ৰ ক্ষণত আজি পুৱা নতুন দিল্লীৰ ভাৰত মণ্ডপমত ২ হাজাৰ ৫৫০ সংখ্যক ভগৱান মহাবীৰ নিৰ্বাণ মহোৎসৱ মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে  এটা সমাৱেশক সম্বোধন কৰিব।

ooooo

হাৰিয়ানাৰ গুৰুগ্ৰামৰ অৰ্জুন নগৰ অঞ্চলত এখন শ্মশানৰ দেৱাল ভাগি পৰাৰ ফলত এজনী ছোৱালীকে ধৰি চাৰিজন লোকৰ মৃত্যু হয়।  এই দেৱালখন ভাগি পৰাৰ ফলত দুটি শিশু আৰু চাৰিজন লোক ধ্বংসাৱশেষৰ মাজত আৱদ্ধ হৈ পৰে।  আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ লোককেইজনক উদ্ধাৰৰ কৰাৰ বাবে  চলায় যদিও এটি শিশু আৰু তিনিজন লোক উদ্ধাৰ কৰাৰ পূৰ্বেই মৃত্যুমুখত পৰে। আনহাতে এজন আঘাতপ্ৰাপ্ত লোকক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এই ঘটনা সন্দৰ্ভত কৰ্তৃপক্ষই ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে।

ooooo

ভাৰতৰ ৱিনেশ ফোগাট, অংশু মালিক আৰু ৰীতিকা হুডাই কিৰ্গিস্তানৰ বিছকেকত অনুষ্ঠিত এছিয় অলিম্পিক কোৱালিফায়াৰ মল্লযুদ্ধ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি পেৰিছ অলিম্পিকত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। ফোগাটে কালি ৫০ কিলোগ্ৰাম ওজন শাখাৰ ছেমি ফাইনেলত কাজাখস্তানৰ লৌৰা গানিকীজিক ১০-০ ফলাফলত পৰাস্ত কৰে। একেদৰে অংশু মালিকে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ছেমি ফাইনেলত উজবেকিস্তানৰ লেলোখোন ছোবিৰ'ভাক ১১-০ ফলাফলত পৰাভূত কৰে। আনহাতে, ৰীতিকাই ৭৬ কিলোগ্ৰাম ওজন শাখাত চীনা টাইপেৰ হুই টি চাঙক ৭-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

ooooo

ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দেলহি কেপিটেলছক ৬৭ ৰানত পৰাস্ত কৰে। দেলহি কেপিটেলছে ২৬৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহি কেপিটেলছৰ হৈ জেক ফ্ৰেজৰ মেকগৰ্কে ১৮ টা বলত ৬৫ ৰান কৰে। হায়দৰাবাদৰ টি নটৰাজনে ৪টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৭ উইকেটৰ বিনিময়ত ২৬৬ ৰান কৰে। হায়দৰাবাদৰ হৈ অ'পেনাৰ ট্ৰেৱিছ হেড আৰু অভিষেক শৰ্মাই প্ৰথম ৬ অ'ভাৰত ১২৫ ৰান কৰি টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত পাৱাৰ প্লেত সৰ্বাধিক ৰান কৰাৰ অভিলেখ গঢ়ে। হেডে ৩২টা বলত ৮৯ ৰান কৰাৰ বিপৰীতে অভিষেক শৰ্মাই ১২টা বলত ৪৬ ৰানৰ বৰঙণি আগবঢ়ায়। ট্ৰেৱিছ হেডক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

কালিৰ খেলৰ ফলাফলৰ পাছত হায়দৰাবাদ সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আৰু দেলহি কেপিটেলছ্ ষষ্ঠ স্থানত আছে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইটৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, সন্ধিয়া চাৰে ৭ বজাত ছণ্ডিগড়ত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ্ গুজৰাট টাইটানছৰ সন্মুখীন হ'ব।

ooooo

**সমাপ্ত**